কে.এম. শ্ৰীনিবাসন

বনাম

কে.এম. অৰুমুঘম

মহামান্য ন্যায়াধীশ - কে ৰামস্বামী আৰু এছ পি কুৰ্দুকাৰ

ভাগ বিতৰণ - দুয়োজন ভাতৃয়ে সমান ভাগত সম্পত্তি উপভোগ কৰিব - পৰৱৰ্তী কাৰ্য্যবিধিৰ বাবে বিষয়টো পুনৰ বিচাৰ আদালতলৈ প্ৰেৰণ কৰা হৈছে। বিচাৰ আদালতে এগৰাকী অধিবক্তা কমিচনাৰক নিযুক্তি দিব যিয়ে প্ৰশ্ন উত্থাপিত সম্পত্তি পৰিদৰ্শন কৰিব আৰু নিশ্চিত কৰিব যে দুয়োপক্ষই সম্পত্তিৰ সমান অংশ লাভ কৰিব আৰু ইয়াক নিৰপেক্ষভাৱে উপভোগ কৰিব পাৰিব। বিচাৰ আদালতে ছয় মাহৰ ভিতৰত এই কাম সম্পূৰ্ণ কৰিব।

**দেৱানী আপীল অধিকাৰক্ষেত্ৰ:** ১৯৯৬ চনৰ দেৱানী আপীল নম্বৰ ১৪১৩২

১৯৯৫ চনৰ এছ.এ.নং ১২৩৪ত মাদ্ৰাজ উচ্চ ন্যায়ালয়ৰ ১৬.১১.৯৫ তাৰিখৰ ৰায় আৰু আদেশৰ পৰা।

শিৰসুব্ৰমণিয়াম আৰু ভি বালাচন্দ্ৰন - আপীলকাৰীৰ বাবে,

আৰ.কে. অগ্নিহোত্ৰী – উত্তৰদাতাৰ বাবে।

আদালতৰ তলত দিয়া আদেশ দিয়া হৈছিল :

অনুমতি প্ৰদান কৰা হ'ল।

দুয়োপক্ষৰ বাবে বিজ্ঞ অধিবক্তা আছে।

বিশেষ অনুমতি প্ৰাপ্তিৰ জৰিয়তে দাখিল কৰা এই আপীল ১৯৯৬ চনৰ ১৬ নৱেম্বৰত মাদ্ৰাজ উচ্চ ন্যায়ালয়ৰ এজনীয়া বিচাৰপীঠৰ দ্বাৰা দ্বিতীয় আপীল নং .১২৩৪ / ৯৫ গোচৰত লোৱা সিদ্ধান্তৰ পৰা উদ্ভৱ হৈছিল।

এইটো স্বীকাৰ্য্য যে আবেদনকাৰী আৰু উত্তৰদাতা ভাতৃ। মাদ্ৰাৰ চালাইনগৰ কয়ল ষ্ট্ৰীটত থকা তিনিটা মহলাৰ সম্পত্তিটো তেওঁলোকে উত্তৰাধিকাৰী হিচাপে লাভ কৰিছিল। বিভাজন চুক্তি অনুসৰি, তলৰ মহলা দুয়োপক্ষই ভাগ কৰি উপভোগ কৰিব লগা হৈছিল।

১৯৫৩ চনৰ ২৭ আগষ্ট তাৰিখৰ বিভাজন চুক্তিয়ে প্ৰকাশ কৰে যে আবেদনকাৰী আৰু উত্তৰদাতাই সমান অংশীদাৰিত্বত সম্পত্তি উপভোগ কৰিব লাগিব। যদিও বিভাজন চুক্তিত ব্যৱহৃত ভাষা অৰ্থ স্পষ্ট নাছিল, তথাপিও এইটো স্পষ্ট যে উত্তৰদাতাই বৰ্তমান সম্পত্তিৰ প্ৰথম মহলা দখল কৰিছে, আনহাতে আবেদনকাৰীয়ে দ্বিতীয় মহলা দখল কৰিছে। এইটো বিতৰ্কিত নহয় যে তলৰ মহলাক দোকানলৈ ৰূপান্তৰিত কৰা হৈছিল আৰু আবেদনকাৰীয়ে এটা অংশ আৰু উত্তৰদাতাই ভাড়াতিয়াৰ জৰিয়তে দুটা অংশ অধিকাৰ কৰিছিল । প্ৰশ্নটো হ'ল সম্পত্তিটো পক্ষসমূহৰ মাজত কেনেদৰে সমানভাৱে ভাগবতৰা কৰা উচিত। বিভাজন চুক্তিত দিয়া বিবৃতিৰ ওপৰত ভি-ত্তি কৰি উচ্চ ন্যায়ালয়ে নিৰ্ধাৰণ কৰিছিল যে তলৰ মহলাটো আবেদনকাৰীক আৱণ্টন কৰা হৈছিল , আনহাতে প্ৰথম আৰু দ্বিতীয় মহলাটো উত্তৰদাতাক আবণ্টন কৰা হৈছিল। ফলস্বৰূপে, উচ্চ ন্যায়ালয়ে আপীল আদালতৰ সিদ্ধান্ত বাতিল কৰে আৰু বিচাৰ আদালতৰ সিদ্ধান্তক সমৰ্থন কৰে। বিভাজন চুক্তিখন পৰ্য্যালোচনা কৰিলে এইটো স্পষ্ট যে উচ্চ ন্যায়ালয়ৰ দৃষ্টিভংগী সঠিক নহয়। এইটো দেখা গৈছে যে তলৰ মহলাটো আবেদনকাৰী আৰু উত্তৰদাতা উভয়কে উপভোগ কৰাৰ বাবে আবণ্টন কৰা হৈছিল আৰু প্ৰথম মহলাটো এটা পক্ষক আবণ্টন কৰা হৈছিল আৰু দ্বিতীয় মহলাটো আন পক্ষক আবণ্টন কৰা হৈছিল। ৫৩২ বৰ্গ ফুটৰ প্ৰথম মহলাটো উত্তৰদাতাৰ দখলত আছে য'ত চাৰিটা কোঠা আছে আৰু দ্বিতীয় মহলাত মুকলি ছাদৰ সৈতে এটা কোঠা আছে। এই পৰিস্থিতিত, ভাতৃসকলে সমান অংশীদাৰিত্বত সম্পত্তিটো উপভোগ কৰিব লাগিব আৰু উপলব্ধ কোঠা আৰু সম্পত্তিৰ পৰিস্থিতি অনুসৰি পুনৰ বিভাজন কৰিব লাগিব। এই পৰিস্থিতিত উচ্চ ন্যায়ালয়, আপীল আদালত আৰু বিচাৰ আদালতৰ দ্বাৰা জাৰী কৰা সিদ্ধান্ত বাতিল কৰা হয়। অঞ্চলটো পৰিদৰ্শন কৰিবলৈ আৰু দুয়োপক্ষই সমান অংশীদাৰিত্বত সম্পত্তি উপভোগ কৰিব পৰাকৈ বিভাজন কৰিবলৈ এজন অধিবক্তা কমিচনাৰ নিযুক্তি দিবলৈ বিচাৰ আদালতক নিৰ্দেশ দিয়া হৈছে বিষয়টো বিচাৰ আদালতলৈ প্ৰেৰণ কৰা হয়।

সেই অনুসৰি আপীল মঞ্জুৰ কৰা হ'ল। বিচাৰ আদালতে এই আদালতৰ নিৰ্দেশ লাভ কৰাৰ তাৰিখৰ পৰা ছয় মাহৰ ভিতৰত এই কাৰ্য্য সম্পন্ন কৰিব। খৰচৰ বিষয়ে কোনো আদেশ নাই।

আপীল মঞ্জুৰ কৰা হ'ল।

অনুবাদ- মৃণাল কুমাৰ ভট্টাচাৰ্য্য

জ্যেষ্ঠ অনুবাদক

গৌহাটী উচ্চ ন্যায়ালয়